অৰ্থনৈতিক ভূগোল – বিষয়বস্তু আৰু সম্পদ

১। অৰ্থনৈতিক ভূগোল কাক বোলে? ইয়াৰ মূল বিষয়বস্তু কি ? অৰ্থনৈতিক ভূগোলৰ প্ৰধান শাখাবোৰ উল্লেখ কৰা ।

উত্তৰ- ভূগোল বিষয়টো প্ৰধানকৈ প্ৰাকৃতিক ভূগোল আৰু মানৱ ভূগোল হিচাপে দুটা ভাগত বিভক্ত । অৰ্থনৈতিক ভূগোল মানৱ ভূগোলৰ অন্তৰ্গত এটা অন্যতম প্ৰধান শাখা । ভূগোলৰ যিটো শাখাত সম্পদৰ উৎপাদন, বিতৰণ, উপভোগ আৰু বিনিময় আৰু ইয়াৰ লগত জড়িত মানুহৰ কাৰ্যকলাপ সমূহ স্থান আৰু কাল সাপেক্ষে অধ্যয়ন কৰা হয়, তাকে অৰ্থনৈতিক ভূগোল বোলে ।

ভূ-প্ৰকৃতি আৰু ভূতাত্ত্বিক গঠনৰ পাৰ্থক্যকে ধৰি জলবায়ু আৰু মাটিৰ বৈশিষ্ট্যৰ তাৰতম্যৰ বাবে ভূ-পৃষ্ঠৰ প্ৰাকৃতিক পৰিবেশ বেলেগ বেলেগ হয়। উদাহৰণ স্বৰূপে ভূ- পৃষ্ঠৰ কোনো ঠাই পাৰ্বত্য উচ্চভূমি, আন কোনো ঠাই সাৰুৱা সমভূমি, সাগৰ-মহাসাগৰীয় উপকূল ভূমি, কোনো ঠাই আকৌ জলবায়ুবীয়ভাবে অতিপাত ঠাণ্ডা বা অতিপাত উষ্ণ ।তদুপৰি কিছুমান অঞ্চল অৰণ্যেৰে ভৰা বা আন কিছুমান অঞ্চল গৰাখহনীয়া আৰু বানপানীৰ দৰে প্ৰাকৃতিক দুৰ্যোগেৰে দুৰ্দশাগ্ৰস্ত । লগতে গছ-গছনি, পানী, খনিজ সম্পদ আদিৰ দৰে প্ৰাকৃতিক সম্পদৰো প্ৰাচুৰ্য, বিতৰণ আৰু গুণাগুণৰ ক্ষেত্ৰতো যথেষ্ট পাৰ্থক্য দেখা যায় । সাৰুৱা সমভূমি অঞ্চল কৃষি, উপকূলীয় অঞ্চল মাছ ধৰা কাৰ্য আৰু যাতায়াত-ব্যৱসায়, খনিজ সম্পদত চহকী অঞ্চল উদ্যোগ, আনহাতে ঘাঁহনিৰ প্ৰাচুৰ্য থকা অঞ্চল পশু-পালনৰ ক্ষেত্ৰত বিশেষভাবে আগবঢ়া হয়। প্ৰাকৃতিক পৰিবেশৰ এনে পাৰ্থক্যৰ ফলত মানুহ

আৰু পৰিবেশৰ সম্পৰ্কও পৃথিৱীৰ সকলো ঠাইত একে নহয় আৰু ইয়াৰ ফলত সৃষ্টি হোৱা মানৱ পৰিবেশো বেলেগ বেলেগ হয়।

দৰাচলতে ভূ-পৃষ্ঠত বিৰাজ কৰা প্ৰাকৃতিক আৰু মানবসৃষ্ট পৰিৱেশৰ উপাদানবোৰৰ বিভিন্নতাৰ বাবে মানুহৰ জীৱন প্ৰণালী আৰু অৰ্থনৈতিক কাৰ্যকলাপো সকলো ঠাইতে বেলেগ বেলেগ হয়।এনে পাৰ্থক্যৰ বাবে কোনো এখন ঠাই যেতিয়া কৃষি কাৰ্যত উন্নত হয়, আন এখন ঠাই ব্যৱসায়-বাণিজ্য, ঔদ্যোগিক বা মৎস্য উৎপাদন কাৰ্যত চহকী হয়।এনে কাৰণতে পৃথিৱীৰ সকলাবোৰ ঠায়েই ইখনে-সিখনৰ ওপৰত নিৰ্ভৰ কৰি এক সম্পৰ্ক ৰক্ষা কৰি চলি থাকে।অৰ্থনৈতিক ভূগোলত সম্পদ আৰু মানুহৰ কাম-কাজ আদিৰ লগত জড়িত এনেধৰণৰ সকলাবোৰ কথাই আলোচনা কৰা হয়।

অৰ্থনৈতিক ভূগোলৰ প্ৰধান শাখাবোৰ হৈছে-

১) কৃষি ভূগোল
২) ঔদ্যোগিক ভূগোল
৩) সম্পদ ভূগোল
৪) পৰিবহন ভূগোল
৫) বজাৰ ভূগোল
৬) পৰিকল্পনা আৰু উন্নয়ন ভূগোল
৭) পৰ্যটন ভূগোল

২। অৰ্থনৈতিক ভূগোলৰ পৰিসৰ সম্পৰ্কে চমুকৈ লিখা।

উত্তৰ- অৰ্থনৈতিক ভূগোলৰ পৰিসৰ আৰু শাখাসমূহ অৰ্থনৈতিক ভূগোলত প্ৰধানকৈ মানুহৰ অৰ্থনৈতিক কাৰ্যকলাপৰ বিতৰণ আৰু ইয়াৰ লগত জড়িত কাৰক আৰু প্ৰক্ৰিয়াসমূহ

অধ্যয়ন কৰা হয় । ইয়াৰ অধ্যয়নৰ পৰিসৰ মূলতঃ তলত উল্লেখ কৰা বিশেষ প্ৰশ্নকেইটাৰ ওপৰত প্ৰতিষ্ঠিত-

(১) অৰ্থনৈতিক কাৰ্যটো ক'ত অৱস্থিত ? (অৰ্থনৈতিক কাৰ্য সংঘটিত হোৱা ভৌগোলিক স্হান, পৰিবেশ, পৰিস্হিতি বোৰৰ সম্পৰ্কে বিশদ আলোচনা ইয়াত অন্তৰ্ভুক্ত হৈ থাকে)

(২) অৰ্থনৈতিক কাৰ্যটোৰ বৈশিষ্ট্যবোৰৰ কি কি ? (আৰ্থিক কাম কাজ, উৎপাদন, বিতৰণ, বিনিময় প্ৰক্ৰিয়াবোৰ অন্তৰ্ভুক্ত হৈ থাকে)

(৩) অৰ্থনৈতিক কাৰ্যটো আন কি কি পৰিঘটনাৰ লগত জড়িত? (ৰাজনৈতিক, সামাজিক, ভৌগোলিক আদি কাৰক)

(৪) অৰ্থনৈতিক কাৰ্যটো য'ত আছে তাতে কিয় হৈছে ? (অনুকূল আৰু প্ৰতিকূল ভৌগোলিক পৰিবেশৰ কাৰক বিলাকৰ বিৱৰণ)

(৫) অৰ্থনৈতিক কাৰ্যটো যত আছে তাৰ পৰিবৰ্তে আন এঠাইত হলে বেছি ভাল
হলহেঁতেন নেকি ?(সুবিধাজনক স্হান আৰু পৰিবেশ সম্পৰ্কীয় বিষয়সমূহ)

৩। মানুহৰ অৰ্থনৈতিক বৃত্তি বুলিলে কি বুজা ? এনে অৰ্থনৈতিক বৃত্তিবোৰ কি কি ?

উত্তৰ- মানুহৰ সকলো ধৰণৰ অৰ্থনৈতিক কামকাজ আৰু সেইবোৰ লগত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে জড়িত জীৱিকা আহৰণৰ সম্বলসমূহক একেলগে অৰ্থনৈতিক বৃত্তি বুলিব পাৰি ।মানুহৰ প্ৰধান অৰ্থনৈতিক বৃত্তিবোৰ হৈছে-

(১) প্ৰাথমিক বৃত্তি :- যি কাৰ্যৰ দ্বাৰা মানুহে প্ৰকৃতিৰপৰা সম্পদ আহৰণ কৰে তাকে প্ৰাথমিক বৃত্তি বোলে। যেনে ধৰা কাৰ্য, বনজ সম্পদ আহৰণ, খনিজ সম্পদ আহৰণ ইত্যাদি।

(২) দ্বিতীয়ক বৃত্তি :- যি কাৰ্যৰ দ্বাৰা মানুহে প্ৰকৃতিৰপৰা আহৰণ কৰা বিভিন্ন দ্ৰব্য নানান প্ৰযুক্তিৰ জৰিয়তে মানুহৰ ব্যৱহাৰপযোগী কৰি তোলা হয় তাকে দ্বিতীয়ক বৃত্তি বালে। যেনে- শিল্পোৎপাদন প্ৰক্ৰিয়া, বিভিন্ন কৃষি কাৰ্য, মাছ নিৰ্মাণ তথা, পুনৰ নিৰ্মাণ কাৰ্য ইত্যাদি।

(৩)**তৃতীয়ক বৃত্তি :-** যি কাৰ্যৰ দ্বাৰা প্ৰাথমিক আৰু দ্বিতীয়ক বৃত্তিৰ যোগেদি উৎপাদিত সামগ্ৰীসমূহ উপভোক্তাৰ ওচৰ পায় তাকে তৃতীয়ক বৃত্তি বোলে।যেনে- যাতায়াত, পৰিবহণ, বজাৰ, পাইকাৰী বা খুচুৰা বিক্ৰী, পৰ্যটন, যোগাযোগ আদিৰ লগত জড়িত অৰ্থনৈতিক কাৰ্যসমূহ।

(৪) চতুৰ্থক বৃত্তি :-যিবোৰ কাৰ্য ই দ্বিতীয়ক আৰু তৃতীয়ক বৃত্তিসমূহ অধিক সুচল তথা ফলপ্ৰসূ কৰি তোলাত সহায় কৰে তাকে চতুৰ্থক বৃত্তি বোলে। যেনে- বেংক বা অন্য বিত্তীয় প্ৰতিষ্ঠান, প্ৰচাৰ মাধ্যম, প্ৰশাসন, শিক্ষা-গৱেষণা আদিৰ লগত জড়িত কাৰ্যসমূহ ।

৪। অৰ্থনৈতিক ভূগোলৰ প্ৰধান শাখাসমূহৰ বিষয়বস্তু সম্পৰ্কে চমুকৈ লিখা ।

উত্তৰ-অৰ্থনৈতিক ভূগোলৰ প্ৰধান শাখাসমূহৰ বিষয়বস্তুবোৰ হৈছে-

(১) কৃষি ভূগোল

অৰ্থনৈতিক ভূগোলৰ এটি অন্যতম প্ৰধান শাখা। ইয়াত কৃষি কাৰ্যব লগত জড়িত কাৰকসমূহ, কৃষিৰ প্ৰকাৰ, কৃষি কাৰ্যৰ বিতৰণ আৰু পদ্ধতি, শস্যব উৎপাদন ইয়াৰ লগত জড়িত সূত্ৰ, কৃষি সামগ্ৰীৰ বজাৰ তথা আমদানি-ৰপ্তানি ইত্যাদি অধ্যয়ন কৰা হয়।

(২) ঔদ্যোগিক ভূগোল

ইয়াত উদ্যোগ স্থাপনৰ লগত জড়িত অৰ্থনৈতিক তথা অন্যান্য কাৰ্যসমূহ, উদোগৰ প্ৰকাৰ আৰু ভৌগোলিক বিতৰণ, ঔদ্যোগিক সামগ্ৰীৰ উৎপাদন, উদ্যোগ অৱস্হানৰ লগত লগত জড়িত সূত্ৰ, ঔদ্যোগিক সামগ্ৰীৰ বজাৰ তথা আমদানি-ৰপ্তানি ইত্যাদি অধ্যয়ন কৰা হয় ।

(৩) সম্পদ ভুগোল

ইয়াত সম্পদৰ প্ৰকাৰ, আঞ্চলিক বিতৰণ, সম্পদ উদ্ঘাটন তথা উৎপাদনৰ লগত জড়িত কাৰকসমূহ, সম্পদ আৰু উন্নয়নৰ সম্পৰ্ক, সম্পদৰ সংৰক্ষণ আৰু ব্যৱস্থাপনা আদি অধ্যয়ন কৰা হয়।

(৪) পৰিবহণ ভূগোল

ইয়াত পৰিবহণ ব্যৱস্থাৰ প্ৰকাৰ আৰু ইয়াৰ লগত জড়িত কাৰকসমূহ, সম্পদ বিতৰণত পৰিবহণৰ ভূমিকা, মানুহৰ যাতায়াত তথা অৰ্থনৈতিক কাৰ্যকলাপত পৰিবহণৰ ভূমিকা, অৰ্থনৈতিক উন্নয়ন যেনে -ঔদ্যোগিক উন্নয়ন, কৃষি ক্ষেত্ৰৰ উন্নয়নত পবিবহণ ব্যবস্থাৰ উন্নয়নৰ ভূমিকা ইত্যাদি অধ্যয়ন কৰা হয় ।

(৫) বজাৰ ভূগোল

ইয়াত বজাৰ স্থাপনৰ প্ৰয়োজনীয়তা আৰু ইয়াৰ কাৰকসমূহ, বজৰৰ প্ৰকাৰ আৰু বিতৰণ আৰু ইয়াব লগত জড়িত সূত্ৰসমূহ অধ্যয়ন কৰা হয় ।

(৬) পৰিকল্পনা আৰু উন্নয়ন ভূগোল

ইয়াত অৰ্থনৈতিক উন্নয়নৰ লগত জড়িত কাৰ্যসমূহ, পৰিকল্পনা ব্যৱস্থা, বহনক্ষম উন্নয়ন, অঞ্চল তথা উপাদান ভিত্তিক উন্নয়ন প্ৰক্ৰিয়া আদি অধ্যয়ন কৰা হয় ।

(৭) পৰ্যটন ভূগোল

ইয়াত পৰ্যটন আৰু ইয়াৰ বিকাশৰ লগত জড়িত কাৰকসমূহ, পৰ্যটনৰ প্ৰকাৰ, পৰ্যটনৰ ব্যৱস্থাৰ উন্নয়ন প্ৰক্ৰিয়া আৰু পৰিকল্পনা আদি অধ্যয়ন কৰা হয়।

৫। সম্পদ ভূগোলক কিয় অৰ্থনৈতিক ভূগোলৰ এটি গুৰুত্বপূৰ্ণ শাখা বোলা হয় ?

উত্তৰ- সম্পদ ভূগোল অৰ্থনৈতিক ভূগোলৰ এটি গুৰুত্বপূৰ্ণ শাখা।সম্পদ অবিহনে অৰ্থনৈতিক ভূগোলৰ বাখ্যা সম্ভৱ নহয়।সম্পদৰ প্ৰকাৰ, অঞ্চলভেদে সম্পদৰ বিতৰণ, সম্পদ উদ্ঘাটন তথা উৎপাদনৰ লগত জড়িত কাৰকসমূহ, সম্পদ আৰু উন্নয়নৰ সম্পৰ্ক, সম্পদৰ সংৰক্ষণ আৰু ব্যৱস্থাপনা আদি অৰ্থনৈতিক ভূগোলত অধ্যয়ন কৰা হয় । অৰ্থনৈতিক ভূগোলৰ আন শাখা উপশাখাবোৰৰ অধ্যয়নতো সম্পদ ক এৰাই চলিব নোৱাৰি। কেৱল সেইয়াই নহয়, দেশ এখনৰ অৰ্থনৈতিক উন্নয়ন সেই দেশখনৰ সম্পদৰ মান আৰু প্ৰাচুৰ্যৰ ওপৰতে নিৰ্ভৰ কৰে।

৬। সম্পদ বুলিলে কি বুজায় ? ইয়াৰ প্ৰধান বৈশিষ্ট্যসমূহ উল্লেখ কৰা ।

উত্তৰ- মানুহৰ জীৱন ধাৰণৰ বাবে প্ৰয়োজনীয় সকলাবোৰ বস্তুকেই সম্পদ বোলা হয় । পৃথিৱীৰ বুকুত থকা বায়ু, পানী, সূৰ্যৰ ৰশ্মি, মাটি, গছ- গছনি, ফল-মূল, খনিজ পদাৰ্থ আদি আটাইবোৰেই মানুহৰ বাবে লাগতিয়াল। সেয়েহে এইবোৰ সম্পদ ।

সম্পদৰ তিনিটা বৈশিষ্ট্য লক্ষ্য কৰা যায়-

ক) কাৰ্যকাৰিতা- মানুহে বস্তু বা সামগ্ৰীটোক যেতিয়া নিজৰ, আনৰ বা সমাজৰ কামত ব্যৱহাৰ কৰিব পাৰে তেতিয়া তাৰ কাৰ্যকাৰিতা গুণটো প্ৰকাশ পায়।

খ) উপকাৰিতা- সম্পদ হবলৈ হলে বস্তু বা সামগ্ৰীটোৱে ব্যক্তিগত বা মানৱ সমাজৰ উপকাৰ বা কল্যাণ সাধন কৰিব লাগিব।

গ) পৰিবৰ্তশীলতা- সম্পদৰ সদায় পৰিবৰ্তন হৈ থাকে। নিষ্ক্ৰিয় বা নিৰপেক্ষ সামগ্ৰী (যিবোৰ সামগ্ৰীয়ে মানুহৰ কোনো উপকাৰ বা অপকাৰ সাধন নকৰে) আৰু প্ৰতিৰোধক (অপকাৰী সামগ্ৰী বা পৰিঘটনা) সমূহো মানুহৰ চিন্তা চৰ্চা, কৌশল,কাৰিকৰী জ্ঞান,দক্ষতা আৰু প্ৰযুক্তিৰ সহায়ত সম্পদ হিচাপে মান্যতা পায়।

৭। 'সম্পদ পৰিবৰ্তনশীল' - ব্যাখ্যা কৰা।

উত্তৰ- সম্পদ পৰিবৰ্তনশীল। আজি কোনো এটা সামগ্ৰী মানুহৰ দ্বাৰা ব্যৱহৃত নহলেও বা মানুহৰ বাবে অপকাৰী হলেও ভৱিষ্যতে সেই একেটা সামগ্ৰীয়েই মানৱ কল্যাণৰ বাবে ব্যৱহৃত

হ'ব পাৰে। এনে সামগ্ৰীসমূহৰ যিবোৰে মানুহৰ কোনো ধৰণে উপকাৰ বা অপকাৰ সাধন নকৰে সেইবোৰক নিৰপেক্ষ বা নিষ্ক্ৰিয় সামগ্ৰী বোলা হয়। উদাহৰণস্বৰূপে মানুহে যেতিয়ালৈকে শক্তি উৎপাদনত কয়লা বা খনিজ তেলৰ ব্যবহাৰ নাজানিছিল তেতিয়ালৈকে এইবোৰ কেৱল নিৰপেক্ষ সামগ্ৰীহে আছিল। আনহাতে, যিবোৰ সামগ্ৰী বা পৰিঘটনাই মানুহৰ অপকাৰ সাধন কৰে, সেইবোৰক প্ৰতিৰোধক বোলা হয। উদাহৰণস্বৰূপে অনুৰ্বৰ মাটি, বানপানী জৰ্জৰিত অঞ্চল আদি একো একোটা প্ৰতিৰোধক। এইখিনিতে উল্লেখযোগ্য যে পশ্চিমবংগত সঘনে বানপানী সৃষ্টি কৰা দামোদৰ নদীৰ ওপৰত বান্ধ নিৰ্মাণ কৰি জলবিদ্যুৎ শক্তি উৎপাদন আৰু জলসিঞ্চনৰ ব্যৱস্থা নকৰালৈকে দামোদৰ নদীক প্ৰতিৰোধক হিচাপে গণ্য কৰা হৈছিল। গতিকে মানুহৰ জ্ঞানৰ প্ৰসাৰ আৰু বিজ্ঞান-প্ৰযুক্তিৰ উন্নয়নৰ ফলত পৃথিৱীত থকা এনে বহু নিৰপেক্ষ আৰু প্ৰতিৰোধক সামগ্ৰী মানুহৰ সু-প্ৰচেষ্টাৰ ফলত সম্পদলৈ ৰূপান্তৰিত হৈছে। সম্পদৰ এনে পৰিবৰ্তনশীল বৈশিষ্ট্যৰ বাবেই আজি উপকাৰী বুলি গণ্য হোৱা এটা সামগ্ৰী বা পৰিঘটনা সময়ৰ গতিত অপকাৰী বা নিষ্ক্ৰীয় সামগ্ৰীলৈ ৰূপান্তৰিত হব পাৰে। অৰ্থাৎ সামাজিক পৰিবৰ্তন ঘটাৰ লগে লগে সম্পদৰ ধাৰণা আৰু ইয়াৰ আহৰণ আৰু ব্যৱহাৰৰো পৰিবৰ্তন ঘটে।

৮। সম্পদৰ প্ৰয়োজনীয়তা সম্পৰ্কে উদাহৰণসহ চমুকৈ আলোচনা কৰা।

উত্তৰ- মানুহৰ জীৱন ধাৰণৰ বাবে প্ৰয়োজনীয় সকলোবোৰ বস্তুৱে হৈছে-সম্পদ। পৃথিৱীৰ বুকুত থকা বায়ু, পানী, সূৰ্যৰ ৰশ্মি, মাটি, গছ- গছনি, ফল-মূল, খনিজ পদাৰ্থ আদি

আটাইবোৰেই মানুহৰ বাবে লাগতিয়াল। সেয়েহে এইবোৰ সম্পদ ।এই সম্পদসমূহ মানুহে প্ৰধানকৈ প্ৰকৃতিৰ বুকুৰ পৰাই বিভিন্ন উপায়েৰে আহৰণ কৰে।সম্পদৰ জৰিয়তে মানুহৰ মৌলিক প্ৰয়োজনসমূহকে ধৰে অন্য বহুতো চাহিদা পূৰণ হৈছে আৰু লগতে ই জীৱন ধাৰণৰ মানদণ্ডৰ উন্নয়নৰ সহায়ক হিচাপেও পৰিগণিত হৈছে। কেৱল ব্যক্তিগত পৰ্যায়তে নহয় ,সম্পদ ব্যৱহাৰৰ যোগেদি মানৱ কল্যাণ আৰু সামাগ্ৰিকভাৱে মানৱ জীৱনৰ আৰ্থ সামাজিক দিশৰো উত্তৰণ ঘটিছে।

৯। সম্পদ আৰু মানুহৰ মাজত থকা সম্পৰ্কৰ বিষয়ে চমুকৈ লিখা ।

উত্তৰ- সম্পদ আৰু মানুহৰ মাজত ওতঃপোত সম্পৰ্ক আছে। মানুহে সম্পদক গঢ় দিয়ে। সম্পদ আৰু ইয়াৰ ব্যৱহাৰ মানৱ কল্যাণৰ লগত জড়িত হৈ আছে।মানুহে হ'ল সম্পদৰ উৎপাদক আৰু সম্পদৰ উপভোক্তা।মানুহৰ প্ৰয়োজনীয় বেছিভাগ সম্পদ যদিও প্ৰকৃতিয়ে যোগান ধৰে, ইয়াৰ বেছি ভাগেই মানুহে প্ৰয়োজন অনুসৰি ব্যৱহাৰ উপযোগী কৰি লয়। মানুহৰ জ্ঞানৰ পৰিসৰ বৃদ্ধিৰ লগে লগে নতুন নতুন সম্পদৰ সৃষ্টি হৈছে আৰু ব্যৱহাৰ হৈছে। প্ৰকৃতিকভাৱে সম্পদবোৰৰ উপৰিও মানুহে নিজে সম্পদৰ সৃষ্টি কৰিছে ,যিবোৰক আমি মানৱসৃষ্ট সম্পদ বুলি কওঁ।যেনে- ৰাস্তা-ঘাট, অট্টালিকা, দলং,উদ্যোগ কাৰখানা,স্কুল-কলেজ,যান বাহন ইত্যাদি।

১০। সম্পদ আৰু বিজ্ঞান-প্ৰযুক্তিৰ মাজত থকা সম্পৰ্ক চমুকৈ আলোচনা কৰা ।

উত্তৰ- বিজ্ঞান আৰু প্ৰযুক্তিৰ জৰিয়তে মানুহে প্ৰকৃতিত উপলব্ধ বস্তু বা সামগ্ৰী সমূহক সম্পদলৈ ৰূপান্তিৰত কৰে আৰু যাৰ ফলত সেইবোৰৰ দ্বাৰা মানুহৰ উপকাৰ সাধন হয়।অৰ্থাৎ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ মাধ্যমেৰে সম্পদে পূৰ্ণতা পাই।

আকৌ মানুহে বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ জৰিয়তে প্ৰাকৃতিক সম্পদসমূহ ন ন ৰূপ প্ৰদান কৰি আহিছে। উদাহৰণস্বৰূপে-বাঁহৰ পৰা কাগজ, কপাহৰ পৰা কাপোৰ, খনিজ তেলৰ পৰা নান ৰং,নেপথা, কৃত্ৰিম কাপোৰ, ৰাসায়নিক সাৰ, চাবোন, মম, ৰবৰ; গছ গছনিৰ পৰা খাদ্য,ঔষধ,কাঠ,গৃহ আদি সামগ্ৰী আহৰণ কৰা হয়।অৱশ্যে এই ক্ষেত্ৰত প্ৰযুক্তি বিদ্যাৰ লগতে মানুহ জ্ঞান, কৌশল আৰু দক্ষতাও অন্যতম দৰকাৰী উপাদান।

বিজ্ঞান আৰু প্ৰযুক্তিৰ জৰিয়তে মানুহে ভৱিষ্যতে সম্পদৰ ক্ষেত্ৰত আহিব পৰা আহ্লকালৰ বিষয়ে আগতীয়া তথ্য উদ্ঘাটন কৰিবলৈ সক্ষম হৈছে যাৰ ফলত সম্পদ সংৰক্ষণৰ দৰে পদ্ধতিসমূহে আজিৰ দিনত গুৰুত্ব লাভ কৰিছে।

১১। উদাহৰণসহ সম্পদৰ শ্ৰেণীবিভাজন সম্পৰ্কে লিখা ।

উত্তৰ-

ক) সৃষ্টি প্ৰক্ৰিয়া অনুসৰি সম্পদসমূহক তিনিটা ভাগত ভগাব পাৰি –

১) প্ৰাকৃতিক সম্পদ- যিবোৰ সম্পদ (যেনে- সূৰ্যৰ ৰশ্মি, বায়ু, পানী, পলস,গছ-গছনি,জীৱ-জন্তু,খনিজ পদাৰ্থ, নদ-নদী আদি) প্ৰাকৃতিক ভাৱে সৃষ্টি হৈ প্ৰকৃতিত বিয়পি থাকে, তেনেবোৰ সম্পদক প্ৰাকৃতিক সম্পদ বোলে।

২)মানৱ সৃষ্ট সম্পদ - মানুহে সৃষ্টি কৰা সম্পদবোৰক মানৱ সৃষ্ট সম্পদ বোলে। যেনে- ৰাস্তা-ঘাট, অট্টালিকা, দলং ইত্যাদি।

৩)মানৱ সম্পদ- প্ৰাকৃতিক সম্পদসমূহক ব্যৱহাৰৰ উপযোগী কৰিবলৈ মানুহৰ কাৰ্যদক্ষতা, শিক্ষা, প্ৰযুক্তি আৰু আগ্ৰহৰ প্ৰয়োজন হয়। এনেবোৰ গুণ থকাৰ বাবে মানুহক মানৱ সম্পদ আখ্যা দিয়া হয়। যেনে- কৃষক, ডাক্তৰ ,শ্ৰমিক,শিক্ষক ইত্যাদি।

খ) প্ৰাকৃতিক গঠন অনুসৰি সম্পদসমূহক দুটা ভাগত ভগাব পাৰি -

১)জীৱীয় সম্পদ - প্ৰাকৃতিক গঠন অনুসৰি সম্পদসমূহৰ যিবোৰৰ জীৱ থাকে সেইবোৰক জীৱীয় সম্পদ।উদ্ভিদ, প্ৰাণী, মাছ, শস্য আদি জীৱীয় সম্পদ ।

২)অজীৱীয় সম্পদ - যিবোৰ সম্পদৰ প্ৰাণ বা জীৱ নাথাকেসেইবোৰক অজীৱীয় সম্পদ বোলে ।মাটি, শিল, ভূমি, নদ-নদী পানী, বায়ু, খনিজ পদাৰ্থ, কয়লা আদি অজীৱীয় সম্পদ

গ) উপলব্ধতা আৰু স্হায়িত্বৰ ওপৰত ভিত্তি কৰি সম্পদসমূহক দুটা ভাগত ভগাব পাৰি -

১) নবীকৰণযোগ্য সম্পদ- পৃথিবীত উপলব্ধ প্ৰাকৃতিক সম্পদবোৰৰ ভিতৰত কিছুমান ব্যৱহাৰৰ পিছত একেবাৰে নিঃশেষ হৈ নাযায় আৰু আন কিছুমান ক্ৰমান্বয়ে নিঃশেষ হৈ যায়। যিবোৰ সম্পদ অনববত ব্যৱহাৰ কৰি থকাৰ পিছতো নৱীকৰণ বা পুনঃপূৰ্ণীকৃত প্ৰক্ৰিয়াৰে কেতিয়াও একেবাৰে নিঃশেষ হৈ নোযোৱাকৈ ৰাখিব পাৰি, তেনে সম্পদকে নবীকৰণযোগ্য বা পুনঃপূৰ্ণীকৃত সম্পদ বোলে। যেনে-সূৰ্যৰ ৰশ্মি, বায়ু, পানী, গছ-গছনি, জীৱ-জন্তু, মানুহ, শস্য আদি নবীকৰণযোগ্য সম্পদ।

২) অনবীকৰণযোগ্য সম্পদ- যিবোৰ সম্পদ ব্যবহাৰৰ পিছত নৱীকবণ বা পুনঃসৃষ্টি কবিব নোৱাৰি আৰ একেবাৰে নিঃশেষ হৈ যায়, তেনে সম্পদবোৰক অনবীকৰণযোগ্য বা ক্ষয়শীল বা বোলে। উদাহৰণস্বৰূপে- (কয়লা, খনিজ তেল, খনিজ পদাৰ্থ (যেনে তাম, সোণ, চূণশিল, লো আদি), প্ৰাকৃতিক গেছ আদি অনবীকৰণযাগ্য সম্পদ ।

ঘ) পৃথিবীত উপলব্ধ সকলোবোৰ সম্পদৰ মালিকীস্বত্বৰ ভিত্তিত তিনিটা ভাগত বিভক্ত কৰিব পাৰি -

১) ব্যক্তিগত সম্পদ -মানুহৰ নিজ নিজ দখল বা অধিকাৰত থকা ভূমি, সা-সম্পত্তি আৰু নিজা ভাল গুণ ইত্যাদি যেনে- ভাল চৰিত্ৰ, শিক্ষা, কৰ্মদক্ষতা আদিক ব্যক্তিগত সম্পদ বোলা হয় ।

২) জাতীয় সম্পদ- এখন দেশৰ তত্ত্বাৱধান বা দখলত থকা সকলবোৰ সম্পদ যেনে- ৰাস্তা-ঘাট, ভূমি, নদ-নদী, দলং, অভয়াৰণ্য, অৰণ্যত থকা গছ-গছনি আৰু জীৱ-জন্তু, শিক্ষানুষ্ঠান, প্ৰশাসনিক ব্যবস্থা, চৰকাৰ আদিক জাতীয় সম্পদ বোলা হয়। উদাহৰণস্বন্ধপে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানখন এটা জাতীয় সম্পদ।

৩) আন্তৰ্জাতিক সম্পদ- দেশৰ জাতীয় সম্পদ আৰু সমগ্ৰ বিশ্বৰ অধীনত থকা সম্পদ যেনে সাগৰ-মহাসাগৰ আৰু ইয়াৰ খনিজ সম্পদ আকু জীৱ-জন্তু, বায়ুমণ্ডল, অৰণ্য অঞ্চল আদিক একেলগে আন্তৰ্জাতিক বা বিশ্ব সম্পদ বোলে। আন্তৰ্জাতিক সংস্থা ৰাষ্ট্ৰসংঘই ইয়াৰ নিৰ্ধাৰিত নীতি-নিয়ম অনুসৰি বিশ্ব সম্পদসমূহৰ উদ্ঘাটন আৰু ব্যৱহাৰ পবিচালনা কৰে ।যেনে- চীনৰ সুদৈৰ্ঘ্য প্ৰাচীৰ ,ফ্ৰান্সৰ আইফেল টাৱাৰ ইত্যাদি।

১২। প্ৰাকৃতিক সম্পদ বুলিলে কি বুজায়? উদাহৰণসহ চমুকৈ লিখা ।

উত্তৰ- যিবোৰ সম্পদ (যেনে- সূৰ্যৰ ৰশ্মি, বায়ু, পানী, পলস,গছ-গছনি,জীৱ-জন্তু,খনিজ পদাৰ্থ, নদ-নদী আদি) প্ৰাকৃতিক ভাৱে সৃষ্টি হৈ প্ৰকৃতিত বিয়পি থাকে, তেনেবোৰ সম্পদক প্ৰাকৃতিক সম্পদ বোলে।

প্ৰাকৃতিক সম্পদসমূহ গোটা,জুলীয়া ,গেছীয় আৰু ধাতৱীয় বা অধাতৱীয় অৱস্হাত পোৱা যায়। এনে প্ৰকৃতিক সম্পদৰ বেছি সংখ্যকেই কল কাৰখানা,উদ্যোগ আদিত কেঁচামাল হিচাপে ব্যৱহাৰ কৰা হয়। তদুপৰি কয়লা,খনিজ তেল,প্ৰাকৃতিক গেছ, আদিৰ দৰে প্ৰকৃতিক সম্পদক আমি শক্তিৰ উৎস হিচাপে ব্যৱহাৰ কৰো।

১৩। মানৱ-সৃষ্ট সম্পদ কি ? উদাহৰণসহ ইয়াৰ ব্যৱহাৰ সম্পৰ্কে চমুকৈ লিখা ।

উত্তৰ- মানুহে সৃষ্টি কৰা সম্পদবোৰক মানৱ সৃষ্ট সম্পদ বোলে। মানুহৰ প্ৰয়োজনীয় বহু সম্পদ যদিও প্ৰকৃতিয়ে যোগান ধৰে,ইয়াৰ বেছি ভাগেই মানুহে প্ৰয়োজন অনুসৰি ব্যৱহাৰ উপযোগী কৰি লয়। যেনে- ৰাস্তা-ঘাট, অট্টালিকা, দলং,উদ্যোগ কাৰখানা, স্কুল-কলেজ, যান বাহন ইত্যাদি। মানুহৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি পাই অহাৰ লগে লগে নতুন নতুন সম্পদ সৃষ্টিৰো বাট মুকলি হৈছে।উদাহৰণস্বৰূপে, বাঁহৰপৰা কাগজ; কপাহৰপৰা কাপোৰ; খনিজ তেলৰপৰা নানান ধৰণৰ ৰং, নেপথা, কৃত্ৰিম কাপোৰ, ৰাসায়নিক সাৰ, কীটনাশক দ্ৰব্য, চাবোন, প্লাষ্টিক, কৃত্ৰিম ৰবৰ, মম আদি; গছ-গছনিৰপৰা নানান ধৰণৰ খাদ্য,ঔষধ, কাঠ, গৃহ নিৰ্মাণ সামগ্ৰী ইত্যাদি। মানুহৰ প্ৰচেষ্টাৰ ফলত সৃষ্টি হোৱা এনে সামগ্ৰীবোৰকে মানৱ সৃষ্ট সম্পদ বোলা হয়।

১৪। নবীকৰণযোগ্য আৰু অনবীকৰণযোগ্য সম্পদৰ মাজৰ পাৰ্থক্য কি কি? উদাহৰণসহ চমুকৈ আলোচনা কৰা।

উত্তৰ- পৃথিবীত উপলব্ধ প্ৰাকৃতিক সম্পদবোৰৰ ভিতৰত কিছুমান ব্যৱহাৰৰ পিছত একেবাৰে নিঃশেষ হৈ নাযায় আৰু আন কিছুমান ক্ৰমান্বয়ে নিঃশেষ হৈ যায়। যিবোৰ সম্পদ অনববত ব্যৱহাৰ কৰি থকাৰ পিছ্তো নৱীকৰণ বা পুনঃপূৰ্ণীকৃত প্ৰক্ৰিয়াৰে কেতিয়াও একেবাৰে নিঃশেষ হৈ নোযোৱাকৈ ৰাখিব পাৰি, তেনে সম্পদকে নবীকৰণযোগ্য বা পুনঃপূৰ্ণীকৃত সম্পদ বোলে। যেনে-সূৰ্যৰ ৰশ্মি, বায়ু, পানী, গছ্-গছনি, জীৱ-জন্তু, মানুহ, শস্য আদি নবীকৰণযোগ্য সম্পদ।

যিবোৰ সম্পদ ব্যবহাৰৰ পিছত নৱীকবণ বা পুনঃসৃষ্টি কবিব নোৱাৰি আৰ একেবাৰে নিঃশেষ হৈ যায়, তেনে সম্পদবোৰক অনবীকৰণযোগ্য বা ক্ষয়শীল বা বোলে। উদাহৰণস্বৰূপে- (কয়লা, খনিজ তেল, খনিজ পদাৰ্থ (যেনে তাম, সোণ, চূণশিল, লো আদি), প্ৰাকৃতিক গেছ আদি অনবীকৰণযাগ্য সম্পদ ।

১৫। সম্পদ সংৰক্ষণ বুলিলে কি বুজায় ? ইয়াৰ প্ৰয়োজনীয়তা কি?

উত্তৰ- কোনো ধৰণৰ বিনাশ বা অপব্যৱহাৰ নোহোৱাকৈ সম্পদৰ সম্ভাৱ্য পূৰ্ণ ব্যৱহাৰ কৰা কাৰ্য তথা ধাৰণাকে সম্পদ সংৰক্ষণ বোলে। সম্পদ সংৰক্ষণৰ মূল উদ্দেশ্য হ’ল আমি প্ৰকৃতিৰ পৰা আমাৰ প্ৰয়োজনীয় সম্পদবোৰ এনেদৰে আহৰণ

কৰি ব্যৱহাৰ কৰিব লাগে যাতে ইয়াৰ দ্বাৰা আমি সকলোৱে বহু সময় ধৰি উপকৃত হওঁ। উদাহৰণস্বৰূপে- খনিজ তেল সংৰক্ষণ বুলিলে খনিজ তেল প্ৰকৃতিৰ পৰা কোনো ধৰণৰ অপচয় নোহোৱাকৈ মানৱ কল্যাণত সঠিক ৰূপত বহু দিনৰ বাবে ব্যৱহাৰ কৰিব পৰা কাৰ্যক বুজায়।

যদিও সম্পদ সংৰক্ষণ অনবীকৰণযোগ্য সম্পদৰ লগত বেছিকৈ জড়িত, আচলতে সংৰক্ষণৰ ধাৰণাবোৰ সকলোধৰণৰ সম্পদৰ বাবেই সমানে প্ৰযোজ্য। উল্লেখযোগ্য যে অৰণ্য (নবীকবণযোগ্য সম্পদ)ধ্বংসৰ ফলত জীৱ-জন্তুৰ আৱাসভূমি তথা জৈৱ-বৈচিত্ৰ্য হ্ৰাস পায় আৰু একো একোটা অঞ্চলৰ পাৰিৱেশিক ভাৰসাম্য বিনষ্ট হয়। সেয়ে সমগ্ৰ বিশ্বজুৰি কিছুমান আপুৰুগীয়া জৈৱিক সম্পদ যেনে বাঘ, হাতী, গঁড়, ভালুক, ডলফিন, সিংহ আনিৰ সংৰক্ষণৰ বাবে বহু আঁচনি বা প্ৰকল্প হাতত লোৱা হৈছে। তদুপৰি অসমৰ কেইবাবিধো মূল্যবান উদ্ভিদ যেনে সৰ্পগন্ধা, ছালকুববী, কালমেঘ, অৰ্জুন, অগক, চিৰতা, জাইফল, শতমূল, শুকলতি আদি প্ৰায় নোহোৱা হব ধৰিছে। বিলুপ্ত হ'ব ধৰা প্ৰাণীৰ ক্ষেত্ৰত সোমালী বান্দৰ, হলৌ বান্দৰ, বনৰীয়া মহ, নল-গাহৰি, শিহু, দেওহাঁহ, ধনেশপক্ষী, বৰটোকোলা আদি বিশেষভাৱে উল্লেখযোগ্য। লগতে শক্তিব উৎস হিচাপে ব্যৱহৃত খনিজ তেল, কয়লা আদি আৰু কৃষি কাৰ্যত ব্যৱহৃত ৰাসায়নিক সাৰ, কীটনাশক ৰাসায়নিক দ্ৰব্য আদিৰ ব্যৱহাৰ দ্ৰুতগতিত বৃদ্ধি পোৱাৰ ফলত এইবোৰ প্ৰাকৃতিক সম্পদৰ ভাণ্ডাৰ ক্ৰমান্বয়ে নিঃশেষ হৈ যোৱাব উপৰি বায়ু, পানী আৰু মাটিৰ প্ৰদুষণ ঘটি এক ভয়াৱহ পাৰেৱেশিক সমস্যাৰ সৃষ্টি হৈছে। গতিকে আমাৰ উন্নয়ন প্ৰক্ৰিয়াটো যাতে ক্ষণস্থায়ী নহয় তাৰ বাবে আমি সম্পদৰ মিতব্যয়ী ব্যবহাৰৰ লগতে প্ৰয়োজনীয় সংৰক্ষণব্যবস্থা হাতত লব লাগিব। উদাহৰণস্বৰূপে, মাটি সংবক্ষণৰ ক্ষেত্ৰত আমি কৃষিকাৰ্যৰ বাবে মাটি এডোখৰ এনেদৰে ব্যৱহাৰ কৰিব লাগিব

যাতে ইয়াৰ উৰ্বৰতা নষ্ট নোহোৱাকৈ আমি ভাল শস্যৰ উৎপাদন লাভ কৰি থাকো।

১৬। সম্পদ সংৰক্ষণ পদ্ধতি সম্পৰ্কে চমুকৈ লিখা।

উত্তৰ- সম্পদ সংৰক্ষণৰ পদ্ধতিসমূহ তলত উল্লেখ কৰা হল-

(ক) বিকল্প সম্পদৰ সন্ধান :- কোনো এটা বহুলভাবে ব্যবহৃত সম্পদৰ উৎপাদনচলি থকা অৱস্থাতে ইয়াৰ বিকল্প সম্পদৰ সম্ভাবনা উদঘাটনৰ বাবে প্ৰয়োজনীয় গৱেষণা আৰু জৰীপ চলাই থাকিব লাগে। উদাহৰণস্বৰূপে কপাহী সূতাৰ পৰিবৰ্তে কৃত্ৰিম আঁহ; প্ৰাকৃতিক ৰবৰৰ সলনি কৃত্ৰিম ৰবৰ আদি একো একোটা বিকল্প সম্পদ। অনবীকৰণযোগ্য সম্পদ যেনে- কয়লা, খনিজ তেল, প্ৰাকৃতিক গেছ আদিৰ ব্যৱহাৰ হ্ৰাস কৰিবলৈ সৌৰশক্তি, জলবিদ্যুৎ শক্তি, বতাহ শক্তি, জৈৱ শক্তি আদি নবীকৰণযোগ্য সম্পদৰ ব্যবহাৰ বৃদ্ধি কৰিব লাগে।

(খ) পুনৰাৱৰ্তন ও সীমিত :- সীমিত পৰিমাণত থকা কেঁচা সামগ্ৰীৰ ব্যৱহাৰ হ্ৰাস কৰিবলৈ ব্যৱহাৰৰ উপযোগী বৰ্জিত দ্ৰব্য পুনৰব্যৱহাৰ কৰা প্ৰক্ৰিয়াটোকে সম্পদৰ পুনৰাৱৰ্তন বোলে। উদাহৰণস্বৰূপে পুৰণি পলিথিন বেগ, প্লাষ্টিক বটল,কাগজ, লোহাৰ সামগ্ৰী আদি পুনৰাৱৰ্তনৰ জৰিয়তে পুনৰ ব্যৱহাৰ কৰা হয়।

(গ) অভিযোজন বা নবপ্ৰচলন :- অধ্যয়ন আৰু গৱেষণাৰ জৰিয়তে প্ৰকৃতৰপৰা আহৰণ কৰা সম্পদ ব্যৱহাৰৰ উপযোগী

অৱস্থালৈ ৰূপান্তৰিত কৰিবলৈ অভিযোজন বা নবপ্ৰচলন প্ৰক্ৰিয়াৰ প্ৰয়োগ কৰিব লাগে। ৰাসায়নিক সাৰ, ৰাসায়নিক কীটনাশক আদি প্ৰয়োগৰ দ্বাৰা মাটিত হ'বপৰা ঋণাত্মক প্ৰভাৱ ৰোধ কৰিবলৈ জৈৱ সাৰ, জৈৱ কীটনাশক আদি প্ৰয়োগত বেছি গুৰুত্ব প্ৰদান কৰিব লাগে।

(ঘ) বৰ্জিত দ্ৰব্যৰ পৰিমাণ হ্ৰাস :- কেঁচা সামগ্ৰীৰপৰা প্ৰয়োজনীয় সম্পদলৈ ৰূপান্তৰ কৰোতে বৰ্জিত দ্ৰব্যৰ উৎপাদন সীমিত কৰি ৰখাৰ উপৰি সেইবোৰ পুনৰাৱৰ্তন নাইবা পুনৰ ব্যৱহাৰৰ ব্যৱস্থা কৰিলে যথেষ্ট পৰিমাণে সম্পদ সংৰক্ষণ হব পাৰে। উদাহৰণস্বৰূপে, গছ কাটি কাঠৰ সামগ্ৰী তৈয়াৰ কৰোতে সমান্তৰালভাৱে পেলনীয়া কাঠেৰে প্ৰস্তুত কৰিব পৰা আন লঘু বা কুটিৰ উদ্যোগৰ ব্যৱস্থা কৰিলে প্ৰাকৃতিক সম্পদৰ অপব্যৱহাৰ হ্ৰাস হব। কাগজ কলত কাঠ আৰু বাঁহৰ যি বৰ্জিত দ্ৰব্য উৎপন্ন হয়, সেইবোৰ আন জৈৱিক বা ৰাসায়নিক সামগ্ৰীলৈ পৰিবৰ্তন কৰাৰ ব্যৱস্থাপনা থাকিলে প্ৰাকৃতিক সম্পদৰ ওপৰত হেঁচা কমিব।

(ঙ) জ্ঞান আৰু শিক্ষাৰ সম্প্ৰসাৰণ :- সম্পদৰ উৎপাদন আৰু ব্যৱহাৰ কাৰ্য সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে জ্ঞান আৰু শিক্ষাৰ সম্প্ৰসাৰণ অতি প্ৰয়োজন। সম্পদৰ অযথা অপচয় ৰোধৰ বাবে জনসাধাৰণৰ মাজত সচেতনতা কৰাতো দৰকাৰী।

(চ) সংৰক্ষণ সম্পৰ্কীয় আইনৰ কাৰ্যকৰীকৰণ :- সম্পদৰ সংৰক্ষণ কাৰ্যকৰীকৰণৰ বাবে সংৰক্ষণ সম্পৰ্কীয় আইনৰ

ব্যৱস্থা কটকটীয়া আৰু সুনিশ্চিত হব লাগে আৰু সেইবোৰ সঠিকভাৱে ৰূপায়ন হব লাগে।

ছ) সম্পদৰ ভঁৰালৰ সঠিক মূল্যায়ন :- সম্পদ ব্যৱহাৰৰ ভৱিষ্যত পৰিকল্পনাৰ বাবে কোনো সম্পদৰ সঞ্চিত পৰিমাণ সম্পৰ্কে সঠিকভাৱে মূল্যায়ন কৰিব লাগে। ইয়াৰ জৰিয়তে অপ্ৰয়োজনীয় ব্যৱহাৰ নিয়ন্ত্ৰণ কৰিব পাৰি।

(জ) সম্পদ সমূহৰ ভৱিষ্যত প্ৰয়োজন নিৰ্ধাৰণ :- সম্পদ এটাৰ বৰ্তমানৰ ব্যৱহাৰৰ মান আৰু জনসংখ্যা বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি ভৱিষ্যতৰ প্ৰয়োজনীয়তা নিৰ্ণয় কৰাটো অতি দৰকাৰ। ইয়াৰ দ্বাৰাও সম্পদৰ অযথা ব্যৱহাৰ তথা অপচয় ৰোধ কৰিব পাৰি আৰু বিকল্প সম্পদ উদঘাটনতো সহায়ক হব।

১৭। সম্পদ সংৰক্ষণৰ লগত জড়িত সংস্থা আৰু সেইবাবোৰৰ ভূমিকা সম্পৰ্কে চমুকৈ লিখা।

উত্তৰ- সমগ্ৰ বিশ্বজুৰি দেখা দিয়া দ্ৰুত জনসংখ্যা বৃদ্ধি আৰু প্ৰাকৃতিক পৰিবেশৰ সমস্যা তথা বহু প্ৰাকৃতিক সম্পদ নিঃশেষ হবলৈ ধৰা পৰিস্থিতিৰ প্ৰতি লক্ষ্য বাখি সমগ্ৰ বিশ্বতে বিভিন্ন পৰ্যায়ত পৰিৰেশ সুৰক্ষা আৰু প্ৰাকৃতিক সম্পদ সংৰক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে। এনে কাৰ্য সম্পাদনৰ বাবে আন্তঃবাষ্ট্ৰীয়, বাষ্ট্ৰীয়, আঞ্চলিক তথা স্থানীয় পৰ্যায়ত বহু চৰকাৰী-বেচৰকাৰী সংস্থা আৰু সংগঠনৰ জন্ম হৈছে। এই ক্ষেত্ৰত বাষ্ট্ৰসংঘৰ অন্তৰ্গত International Union for Conservation of Nature চমুকৈ (IUCN) বিশেষভাৱে উল্লেখযোগ্য। ১৯৪৮ চনতে UNESCO অৰ্থাৎ বাষ্ট্ৰসংঘৰ

শৈক্ষিক, বৈজ্ঞানিক আৰু সাংস্কৃতিক সংস্থাৰ প্ৰথম সঞ্চালকপ্ৰধান জুলিয়ান হাক্সলেৰ (ব্ৰিটিছ জীৱ বিজ্ঞানী) প্ৰচেষ্টাত ফ্ৰান্সত IUCN প্ৰতিষ্ঠিত হৈছিল । এই সংস্থাটোৰ মূল উদ্দেশ্য হৈছে- সমগ্ৰ বিশ্বৰ প্ৰাকৃতিক পৰিবেশ আৰু প্ৰাকৃতিক সম্পদৰ সংৰক্ষণ তথা জৈৱ বৈচিত্ৰ্য সম্পৰ্কে অধ্যয়ন, গৱেষণা আৰু প্ৰযোজনীয় ব্যৱস্থা গ্ৰহণ কৰা। IUCNৰ নেতৃত্বতে WWF for Nature (World Wide Fund for Nature) আৰু (World Conservation Monitoring Centre) স্থাপিত হৈছে। এইদৰে বিশেষ জীৱ-জন্তু আৰু উদ্ভিদ শ্ৰেণী তথা সামগ্ৰিকভাৱে প্ৰাকৃতিক পৰিবেশৰ সংৰক্ষণৰ বাবে আন্তঃৰাষ্ট্ৰীয় আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত বহু সংস্থা-সংগঠনে কাম কৰি আছে। ভাৰতবৰ্ষত এনে কাৰ্যৰ বাবে কচৰকাৰীভাবে পৰিবেশ, বন আৰু জলবায়ু পৰিৱৰ্তন নামেৰে এটি মন্ত্ৰণালয় (Ministry of Environment, Forests and Climate Change) গঠন কৰা হৈছে । এনে চৰকাৰী সংস্থাই প্ৰাকৃতিক সম্পদ সংৰক্ষণ আৰু পৰিৱেশ সুৰক্ষা সম্পৰ্কীয় আইনো প্ৰণয়ন কৰে। এই মন্ত্ৰণালয়ৰ অন্তৰ্গত স্বতন্ত্ৰভাবে ১৯৮৬ চনত ভাৰতীয় বন গৱেষণা আৰু শিক্ষা সংস্থা (Indian Council of Forestry Research and Education) গঠন কৰা হৈছে।

ইয়াৰ উপৰিও বেচৰকাৰী ভাৱে বিজ্ঞান আৰু পৰিবেশ কেন্দ্ৰ (Centre for Science and Environment), গ্ৰীণপীচইণ্ডিয়া (Greenpeace India), ৱাইল্ডলাইফ ট্ৰাষ্ট অৱ ইণ্ডিয়া (Wild Life Trust of India) আদিৰ দৰে অনুষ্ঠান সমূহে পৰিবেশ সুৰক্ষাৰ বাবে কাম কৰি আছে।আমাৰ অসমতো অসম বিজ্ঞান সমিতি, আৰণ্যক আদি বেচৰকাৰী অনুষ্ঠানে পৰিবেশ কুৰক্ষা আু জৈৱ বৈচিত্ৰ্যসংৰক্ষণৰ বাবে কামকাজ কৰি আহিছে।

১৮। চমুটোকা লিখা

(ক) সম্পদ

মানুহৰ জীৱন ধাৰণৰ বাবে প্ৰয়োজনীয় সকলাবোৰ বস্তুকেই সম্পদ বোলা হয় । পৃথিৱীৰ বুকুত থকা বায়ু, পানী, সূৰ্যৰ ৰশ্মি, মাটি, গছ- গছনি, ফল-মূল, খনিজ পদাৰ্থ আদি আটাইবোৰেই মানুহৰ বাবে লাগতিয়াল। সেয়েহে এইবোৰ সম্পদ । সম্পদৰ কাৰ্যকাৰিতা,উপকাৰিতা আৰু পৰিবৰ্তনশীলতা-এই তিনিটা বৈশিষ্ট্য লক্ষ্য কৰা যায়।

(খ) মানৱ সম্পদ

প্ৰাকৃতিক সম্পদসমূহক ব্যৱহাৰৰ উপযোগী কৰিবলৈ মানুহৰ কাৰ্যদক্ষতা, শিক্ষা, প্ৰযুক্তি আৰু আগ্ৰহৰ প্ৰয়োজন হয়। এনেবোৰ গুণ থকাৰ বাবে মানুহক মানৱ সম্পদ আখ্যা দিয়া হয়। যেনে- কৃষক, ডাক্তৰ ,শ্ৰমিক,শিক্ষক ইত্যাদি।

(গ) সম্পত্তি

যিবোৰ সামগ্ৰীৰ বিনিময় মূল্য আছে সেইবোৰক সম্পত্তি বোলে। সম্পত্তিৰ যোগান তুলনামূলক ভাৱে সীমিত আৰু ইয়াক মূল্যৰ জৰিয়তে এজনৰ পৰা আনএজনলৈ হস্তান্তৰ কৰিব পাৰি। যেনে- ঘৰ, টেলিভিছন, মোবাইল ফোন, মাটি, গাড়ী ইত্যাদিবোৰৰ বিনিময় মূল্য আছে, সেয়হে এইবোৰ সম্পত্তি। সকলো সম্পত্তিয়েই সম্পদ।

(ঘ) নবীকৰণযোগ্য সম্পদ

পৃথিবীত উপলব্ধ প্ৰাকৃতিক সম্পদবোৰৰ ভিতৰত কিছুমান ব্যৱহাৰৰ পিছত একেবাৰে নিঃশেষ হৈ নাযায় আৰু আন কিছুমান ক্ৰমান্বয়ে নিঃশেষ হৈ যায়। যিবোৰ সম্পদ অনববত ব্যৱহাৰ কৰি থকাৰ পিছতো নৱীকৰণ বা পুনঃপূৰ্ণীকৃত প্ৰক্ৰিয়াৰে কেতিয়াও একেবাৰে নিঃশেষ হৈ নোযোৱাকৈ ৰাখিব পাৰি, তেনে সম্পদকে নবীকৰণযোগ্য বা পুনঃপূৰ্ণীকৃত সম্পদ বোলে। যেনে-সূৰ্যৰ ৰশ্মি, বায়ু, পানী, গছ্-গছনি, জীৱ-জন্তু, মানুহ, শস্য আদি নবীকৰণযোগ্য সম্পদ।

(ঙ) ব্যক্তিগত সম্পদ

মানুহৰ নিজ নিজ দখল বা অধিকাৰত থকা ভূমি, সা-সম্পত্তি আৰু নিজা ভাল গুণ যেনে- ভাল চৰিত্ৰ, শিক্ষা, কৰ্মদক্ষতা আদিক ব্যক্তিগত সম্পদ বোলা হয় ।

(চ) জাতীয় সম্পদ

এখন দেশৰ তত্ত্বাৱধান বা দখলত থকা সকলবোৰ সম্পদ যেনে- ৰাস্তা-ঘাট, ভূমি, নদ-নদী, দলং, অভয়াৰণ্য, অৰণ্যত থকা গছ্-গছনি আৰু জীৱ-জন্তু, শিক্ষানুষ্ঠান, প্ৰশাসনিক ব্যৱস্থা, চৰকাৰ আদিক জাতীয় সম্পদ বোলা

হয়। উদাহৰণস্বৰূপে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানখন এটা জাতীয় সম্পদ।

(ছ) জীৱীয় সম্পদ

প্ৰাকৃতিক গঠন অনুসৰি সম্পদসমূহৰ যিবোৰৰ জীৱ থাকে সেইবোৰক জীৱীয় সম্পদ। উদ্ভিদ, প্ৰাণী, মাছ, শস্য আদি জীৱীয় সম্পদ ।

(জ) সম্পদ সংৰক্ষণ

কোনো ধৰণৰ বিনাশ বা অপব্যৱহাৰ নোহোৱাকৈ সম্পদৰ সম্ভাব্য পূৰ্ণ ব্যৱহাৰ কৰা কাৰ্য তথা ধাৰণাকে সম্পদ সংৰক্ষণ বোলে। সম্পদ সংৰক্ষণৰ মূল উদ্দেশ্য হ'ল আমি প্ৰকৃতিৰ পৰা আমাৰ প্ৰয়োজনীয় সম্পদবোৰ এনেদৰে আহৰণ কৰি ব্যৱহাৰ কৰিব লাগে যাতে ইয়াৰ দ্বাৰা আমি সকলোৱে বহু সময় ধৰি উপকৃত হওঁ। উদাহৰণস্বৰূপে- খনিজ তেল সংৰক্ষণ বুলিলে খনিজ তেল প্ৰকৃতিৰ পৰা কোনো ধৰণৰ অপচয় নোহোৱাকৈ মানৱ কল্যাণত সঠিক ৰূপত বহু দিনৰ বাবে ব্যৱহাৰ কৰিব পৰা কাৰ্যক বুজায়।

(ঝ) সম্পদৰ পুনৰাৱৰ্তন

সীমিত পৰিমাণত থকা কেঁচা সামগ্ৰীৰ ব্যৱহাৰ হ্ৰাস কৰিবলৈ ব্যৱহাৰৰ উপযোগী বৰ্জিত দ্ৰব্য পুনৰব্যৱহাৰ কৰা প্ৰক্ৰিয়াটোকে সম্পদৰ পুনৰাৱৰ্তন বোলে। উদাহৰণস্বৰূপে পুৰণি পলিথিন বেগ,প্লাষ্টিক বটল,কাগজ,লোহাৰ সামগ্ৰী আদি পুনৰাৱৰ্তনৰ জৰিয়তে পুনৰ ব্যৱহাৰ কৰা হয়।

১৯। পাৰ্থক্য লিখা

(ক) সম্পদ আৰু সম্পত্তি

মানুহৰ জীৱন ধাৰণৰ বাবে প্ৰয়োজনীয় সকলাবোৰ বস্তুকেই সম্পদ বোলা হয় । পৃথিৱীৰ বুকুত থকা বায়ু, পানী, সূৰ্যৰ ৰশ্মি, মাটি, গছ- গছনি, ফল-মূল, খনিজ পদাৰ্থ আদি আটাইবোৰেই মানুহৰ বাবে লাগতিয়াল। সেয়েহে এইবোৰ সম্পদ ।

যিবোৰ সামগ্ৰীৰ বিনিময় মূল্য আছে সেইবোৰক সম্পত্তি বোলে। সম্পত্তিৰ যোগান তুলনামূলক ভাৱে সীমিত আৰু ইয়াক মূল্যৰ জৰিয়তে এজনৰ পৰা আনএজনলৈ হস্তান্তৰ কৰিব পাৰি। যেনে- ঘৰ, টেলিভিছন, মোবাইল ফোন, মাটি, গাড়ী ইত্যাদিবোৰৰ বিনিময় মূল্য আছে, সেয়হে এইবোৰ সম্পত্তি। সকলো সম্পত্তিয়েই সম্পদ।

(খ) অৰ্থনৈতিক ভূগোল আকু সম্পদ ভূগোল

অৰ্থনৈতিক ভূগোল মানৱ ভূগোলৰ অন্তৰ্গত এটা অন্যতম প্ৰধান শাখা। ভূগোলৰ যিটো শাখাত সম্পদৰ উৎপাদন, বিতৰণ, উপভোগ আৰু বিনিময় আৰু ইয়াৰ লগত জড়িত মানুহৰ কাৰ্যকলাপ সমূহ স্থান আৰু কাল সাপেক্ষে অধ্যয়ন কৰা হয়, তাকে অৰ্থনৈতিক ভূগোল বোলে।

সম্পদ ভূগোল হৈছে অৰ্থনৈতিক ভূগোলৰ এটা শাখা। ইয়াত সম্পদৰ প্ৰকাৰ, আঞ্চলিক বিতৰণ,সম্পদ উদ্ঘাটন তথা উৎপাদনৰ লগত জড়িত কাৰকসমূহ, সম্পদ আৰু উন্নয়নৰ সম্পৰ্ক, সম্পদৰ সংৰক্ষণ আৰু ব্যৱস্হাপনা আদি অধ্যয়ন কৰা হয়।

(ঘ) জীৱীয় আৰু অজীবীয় সম্পদ

প্ৰাকৃতিক গঠন অনুসৰি সম্পদসমূহৰ যিবোৰৰ জীৱ থাকে সেইবোৰক জীৱীয় সম্পদ।উদ্ভিদ, প্ৰাণী, মাছ, শস্য আদি জীৱীয় সম্পদ।

যিবোৰ সম্পদৰ প্ৰাণ বা জীৱ নাথাকেসেইবোৰক অজীৱীয় সম্পদ বোলে।মাটি, শিল, ভূমি, নদ-নদী পানী, বায়ু, খনিজ পদাৰ্থ, কয়লা আদি অজীৱীয় সম্পদ।

(ঙ) নবীকৰণযোগ্য আৰু অনবীকৰণযোগ্য সম্পদ

পৃথিবীত উপলব্ধ প্ৰাকৃতিক সম্পদবোৰৰ ভিতৰত কিছুমান ব্যৱহাৰৰ পিছত একেবাৰে নিঃশেষ হৈ নাযায় আৰু আন কিছুমান ক্ৰমান্বয়ে নিঃশেষ হৈ যায়। যিবোৰ সম্পদ অনববত ব্যৱহাৰ কৰি থকাৰ পিছতো নৱীকৰণ বা পুনঃপূৰ্ণীকৃত প্ৰক্ৰিয়াৰে কেতিয়াও একেবাৰে নিঃশেষ হৈ নোযোৱাকৈ ৰাখিব পাৰি, তেনে সম্পদকে নবীকৰণযোগ্য বা পুনঃপূৰ্ণীকৃত সম্পদ বোলে। যেনে-সূৰ্যৰ ৰশ্মি, বায়ু, পানী, গছ-গছনি, জীৱ-জন্তু, মানুহ, শস্য আদি নবীকৰণযোগ্য সম্পদ।

যিবোৰ সম্পদ ব্যবহাৰৰ পিছত নৱীকবণ বা পুনঃসৃষ্টি কবিব নোৱাৰি আৰ একেবাৰে নিঃশেষ হৈ যায়, তেনে সম্পদবোৰক অনবীকৰণযোগ্য বা ক্ষয়শীল বা বোলে। উদাহৰণস্বৰূপে- (কয়লা, খনিজ তেল, খনিজ পদাৰ্থ (যেনে তাম, সোণ, চূণশিল, লো আদি), প্ৰাকৃতিক গেছ আদি অনবীকৰণযাগ্য সম্পদ ।

(চ) ব্যক্তিগত সম্পদ আৰু জাতীয় সম্পদ

পৃথিবীত উপলব্ধ সকলোবোৰ সম্পদৰ মালিকীস্বত্বৰ ভিত্তিত ব্যক্তিগত আৰু জাতীয় সম্পদ হিচাপে শ্ৰেণী বিভক্ত কৰিব পাৰি। মানুহৰ নিজ নিজ দখল বা অধিকাৰত থকা ভূমি, সা-সম্পত্তি আৰু নিজা ভাল গুণ যেনে ভাল চৰিত্ৰ, শিক্ষা, কৰ্মদক্ষতা আদিক ব্যক্তিগত সম্পদ বোলা হয় ।

এখন দেশৰ তত্ত্বাৱধান বা দখলত থকা সকলবোৰ সম্পদ যেনে- ৰাস্তা-ঘাট, ভূমি, নদ-নদী, দলং, অভয়াৰণ্য, অৰণ্যত থকা গছ-গছনি আৰু জীৱ-জন্তু, শিক্ষানুষ্ঠান, প্ৰশাসনিক ব্যবস্থা, চৰকাৰ আদিক জাতীয় সম্পদ বোলা

হয়। উদাহৰণস্বৰূপে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানখন এটা জাতীয় সম্পদ।

(গ) সম্পদ আৰু নিষ্ক্ৰিয় সামগ্ৰী

জীৱন ধাৰণৰ বাবে প্ৰয়োজনীয় সকলোবোৰ বস্তুকেই সম্পদ বোলা হয়। পৃথিৱীৰ বুকুত থকা বায়ু, পানী, সূৰ্যৰ ৰশ্মি, মাটি, গছ- গছনি, ফল-মূল, খনিজ পদাৰ্থ আদি আটাইবোৰেই মানুহৰ বাবে লাগতিয়াল। সেয়েহে এইবোৰ সম্পদ।

আজি কোনো এটা সামগ্ৰী মানুহৰ দ্বাৰা ব্যৱহৃত নহলেও বা মানুহৰ বাবে অপকাৰী হলেও ভৱিষ্যতে সেই একেটা সামগ্ৰীয়েই মানৱ কল্যাণৰ বাবে ব্যৱহৃত হ'ব পাৰে। এনে সামগ্ৰীসমূহৰ যিবোৰে মানুহৰ কোনো ধৰণে উপকাৰ বা অপকাৰ সাধন নকৰে সেইবোৰক নিৰপেক্ষ বা নিষ্ক্ৰিয় সামগ্ৰী বোলা হয়। উদাহৰণস্বৰূপে মানুহে যেতিয়ালৈকে শক্তি উৎপাদনত কয়লা বা খনিজ তেলৰ ব্যৱহাৰ নাজানিছিল তেতিয়ালৈকে এইবোৰ কেৱল নিৰপেক্ষ সামগ্ৰীহে আছিল।

(ছ) মানৱ-সৃষ্ট সম্পদ আৰু মানৱ সম্পদ

মানুহে সৃষ্টি কৰা সম্পদবোৰক মানৱ সৃষ্ট সম্পদ বোলে। মানুহৰ প্ৰয়োজনীয় বহু সম্পদ যদিও প্ৰকৃতিয়ে যোগান ধৰে,ইয়াৰ বেছি ভাগেই মানুহে প্ৰয়োজন অনুসৰি ব্যৱহাৰ উপযোগী কৰি লয়। যেনে- ৰাস্তা-ঘাট, অট্টালিকা, দলং,উদ্যোগ

কাৰখানা, স্কুল-কলেজ, যান বাহন ইত্যাদি। মানুহৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি পাই অহাৰ লগে লগে নতুন নতুন সম্পদ সৃষ্টিৰো বাট মুকলি হৈছে।

প্ৰাকৃতিক সম্পদসমূহক ব্যৱহাৰৰ উপযোগী কৰিবলৈ মানুহৰ কাৰ্যদক্ষতা, শিক্ষা, প্ৰযুক্তি আৰু আগ্ৰহৰ প্ৰয়োজন হয়। এনেবোৰ গুণ থকাৰ বাবে মানুহক মানৱ সম্পদ আখ্যা দিয়া হয়। যেনে- কৃষক, ডাক্তৰ ,শ্ৰমিক,শিক্ষক ইত্যাদি।

(জ) সম্পদৰ পুনৰাৱৰ্তন আৰু অভিযোজন

সীমিত পৰিমাণত থকা কেঁচা সামগ্ৰীৰ ব্যৱহাৰ হ্ৰাস কৰিবলৈ ব্যৱহাৰৰ উপযোগী বৰ্জিত দ্ৰব্য পুনৰব্যৱহাৰ কৰা প্ৰক্ৰিয়াটোকে সম্পদৰ পুনৰাৱৰ্তন বোলে। উদাহৰণস্বৰূপে পুৰণি পলিথিন বেগ,প্লাষ্টিক বটল,কাগজ,লোহাৰ সামগ্ৰী আদি পুনৰাৱৰ্তনৰ জৰিয়তে পুনৰ ব্যৱহাৰ কৰা হয়।

অধ্যয়ন আৰু গৱেষণাৰ জৰিয়তে প্ৰকৃতিৰ পৰা আহৰণ কৰা সম্পদ ব্যৱহাৰৰ উপযোগী অৱস্হালৈ ৰূপান্তৰিত কৰিবলৈ অভিযোজন প্ৰক্ৰিয়া প্ৰয়োগ কৰিব লাগে। উদাহৰণস্বৰূপে – ৰাসায়নিক সাৰ,কীটনাশক দ্ৰব্য আদি প্ৰয়োগৰ দ্বাৰা মাটিত হব পৰা ঋণাত্মক প্ৰভাৱ ৰোধ কৰিবলৈ জৈৱ সাৰ, জৈৱ কীটনাশক আদি প্ৰয়োগত বেছি গুৰুত্ব প্ৰদান কৰিব লাগে।

২০। শুদ্ধ উত্তৰটো বাছি উলিওৱা

(ক) তলৰ কোনটো মানব-সৃষ্ট সম্পদ?

(১) নদ-নদী (২) খনিজ তেল

(৩) জলসিঞ্চন নলা (৪) অৰণ্য

উত্তৰ-(৩) জলসিঞ্চন নলা

খ) তলৰ কোনটো অজীৱীয় সম্পদ?

(১) বায়ু (২) গছ-গছনি

(৩) জীৱ-জন্তু (৪) ভেঁকুৰ

উত্তৰ- (১) বায়ু

(গ) তলৰ কোনটো অনবীকৰণযোগ্য সম্পদ?

(১) বায়ু (২) পানী

(৩) শস্য (৪) কয়লা

উত্তৰ- (৪) কয়লা

(ঘ) তলব কোনটো বিলুপ্তপ্ৰায় প্ৰাণী ?

(১) এশিঙিয়া গড় (২) নল গাহৰি

(৩) জিৰাফ (৪) মিথুন

উত্তৰ- (২) নল গাহৰি

(ঙ) IUCN সংস্থাটো কোন আন্তঃৰাষ্ট্ৰীয় সংস্থাৰ অন্তৰ্গত ?

(১) UNESCO (২) UNO

(৩) WWF (8) UNEP

উত্তৰ- (১) UNESCO